بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**ভৱিষ্যদ্বাণী মুচলেহ মাওউদৰ ফালেৰে ছৈয়দিনা হজৰত খলিফাতুল মছীহ ছানি মুচলেহ মাওউদ (ৰাঃ)ৰ কিছুমান জ্ঞান সম্বলিত কাৰ্য্য প্ৰণালীত জামাতৰ বহিৰ্ভূত আলিম (বিদ্যান) লোক সকলে প্ৰভাৱিত হোৱাৰ চমু বৰ্ণনা**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ১৭ ফেব্ৰুৱাৰী ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইন)ত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ. بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ. اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ. الرَّحْمٰنِ الرَّحِيْمِ. مٰلِكِ يَوْمِ الدِّيْنِ. إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ. اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ. صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ.

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় প্ৰত্যেক জন আহমদীয়ে জানে যে ২০ ফেব্ৰুৱাৰীৰ দিনটো জামাতে আহমদীয়াত ভৱিষ্যদ্বাণী মুচলেহ মাওউদ দিৱস হিচাপে মনত পেলোৱা হয়। এই উদ্দেশ্যে জামাতত জলছা অনুষ্ঠিত কৰা হয়। এই ভৱিষ্যদ্বাণী হজৰত মছীহ মাওউদ (আঃ)ৰ ঔৰসত এজন পুত্ৰ সন্তান জন্ম হোৱা সম্পৰ্কে আছিল। যিজন বহু গুণাৱলীৰ অধিকাৰী হ'ব।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ভৱিষ্যদ্বাণী মুচলেহ মাওউদৰ শব্দবোৰ পাঠ কৰি শুনায় আৰু পিছত ভৱিষ্যদ্বাণীত নিৰ্ধাৰিত সময়ছোৱাৰ ভিতৰত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ জন্ম আৰু তেখেত (ৰাঃ)য়ে এই ভৱিষ্যদ্বাণীৰ দৃষ্টান্ত আৰু ভিত্তি হোৱা সম্পৰ্কে চমু বৰ্ণনা আগবঢ়ায়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এতিয়া মই হজৰত মুচলহে মাওউদ (ৰাঃ)ৰ পাণ্ডিত্য আৰু বিভিন্ন প্ৰতিভা সমূহৰ পৰা কিছুমান কথা আলোচনা কৰিম। কিন্তু আলোচনাৰ আগতে এই কথাখিনি মনত ৰখা উচিত হ'ব যে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ বাল্যকাল শাৰীৰিক ভাৱে বৰ দুৰ্বল আছিল। জাগতিক পৰ্যায়ত তেখেত (ৰাঃ)ৰ শিক্ষা-দীক্ষা প্ৰায় নথকাৰ সমান আছিল। কিন্তু যিহেতু তেখেত (ৰাঃ)ক বাহ্যিক জ্ঞান আৰু আধ্যাত্মিক জ্ঞান ভাণ্ডাৰেৰে পূৰ্ণ কৰাৰ যি প্ৰতিশ্ৰুতি খোদা তা'লাই প্ৰদান কৰিছিল সেয়া খোদা তা'লাই পূৰ্ণ কৰি দেখুৱাইছে আৰু মানৱী জ্ঞানক বিস্ময় কৰি দিয়া খোতবা আৰু ভাষণ তেখেত (ৰাঃ)ৰ মুখেৰে প্ৰকাশ কৰোৱাইছে। তেখেত (ৰাঃ)য়ে এনেকুৱা কিছুমান বিষয়ৰ ওপৰত নিজৰ লিখনি আগবঢ়াইছে যে সেইবোৰ নিজেই নিজৰ দৃষ্টান্ত অৰ্থাৎ দৃষ্টান্ত বিহীন আৰু বেলেগও সেয়া স্বীকাৰ কৰিবলৈ বাধ্য। আজি মই তাৰেই কিছুমান বিবৃত্তি সম্পৰ্কে উল্লেখ কৰিম। কিন্তু ইয়াৰ আগতে মই তেখেত (ৰাঃ)ৰ ৰচনা, খোতবা,গল্প, ভাষণ, ইৰফান আদিৰ সংখ্যা আৰু গুৰুত্বৰ এটা খতিয়ান আগবঢ়াম।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ যিবোৰ কিতাপ, খোতবা, লেক্সাৰ,পয়গাম আৰু আলোচ্য বিষয় বস্তু ছপা কৰা প্ৰায় সম্পূৰ্ণ হৈছে আৰু ছপা কৰি উলিয়াবলৈ সাজু কৰা হৈছে, সেয়া আনোৱাৰুল উলুম নামেৰে ছপা হৈ আছে, ইয়াৰ সৰ্বমুঠ ৩৮ খনমান খণ্ড হ'ব আৰু ইয়াৰ সংখ্যা হ'ব প্ৰায় ১৪২৪ খন, পৃষ্ঠা হ'ব ২০৩৪০ খন। তফছিৰে চগিৰ আৰু অন্যান্য তফছিৰি সাৰকথাৰ পৃষ্ঠা সংখ্যা ২৮৭৩৫ খন হ'ব। ১৮০৮ খন খোতবা, ৫১ খন ঈদুল ফিতৰ খোতবা,৪২ খন ঈদুল আজহাৰ খোতবা,১৫০ খোতবাতে নিকা, খোতবাতে শ্বোৰা প্ৰথম খণ্ড, আৰু তৃতীয় খণ্ড ছপা কৰা হৈছে। ইয়াৰ পৃষ্ঠা সংখ্যা হৈছে ২১৩১ খন। যদি সকলো পৃষ্ঠাৰ একেলগে এটা হিচাপ মিলোৱা হয় তেন্তে সৰ্বমুঠ পৃষ্ঠা সংখ্যা হ'ব প্ৰায় ৭৫০০০ খন।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ৰিচাৰ্জ চলি থকা বিষয় সমূহৰ পৰা এনেকুৱা বিষয় আৰু ভাষণত লগতে মজলিচে ইৰফান সম্পৰ্কে পৰ্যালোচনা আগবঢ়াইছে যে যিবোৰ এতিয়াও ছপা হৈ উঠা নাই। কৈছে যে এয়া এখন বহল জ্ঞান ভাণ্ডাৰ। এতিয়া মই আগতে তেখেত (ৰাঃ)ৰ জ্ঞানৰ প্ৰতিভাৰ পৰা কোৰ-আন কৰিমৰ অনুবাদ আৰু তফছিৰৰ কিছুমান অৰ্হতা আৰু বেলেগৰ কিছুমান মন্তব্য সম্পৰ্কে উল্লেখ কৰিম। তফছিৰে কবিৰত তেখেত (ৰাঃ)য়ে ৫৯ খন ছুৰাৰ তফছিৰ কৰিছে। যিবোৰ দহটামান খণ্ডত ছপা কৰি উলিওৱা হৈছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ বহু কেইখন তফছিৰি টোকাৰ সন্মান পোৱা গৈছে, যাৰ সংখ্যা প্ৰায় এহেজাৰ খন হ'ব। ভৱিষ্যতলৈ এইবোৰ ছপা হৈ ওলাব। তেখেত (ৰাঃ)ৰ আন এটা ডাঙৰ কাম মুহাবাৰা অনুবাদ কোৰ-আন, তফছিৰে ছগিৰ নামাৰে আমাৰ সন্মুখত আছে।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে তফছিৰে ছগিৰ সম্পৰ্কে এঠাইত কৈছে মোৰ ৰায় হ'ল যে এতিয়ালৈকে কোৰ-আন কৰিমৰ যিমানবোৰ অনুবাদ হৈ ওলাইছে, তাৰে মাজত কোনো অনুবাদও উৰ্দু আৰু আৰবী মুহাবাৰাৰ ওপৰত সিমান গুৰুত্ব দিয়া হোৱা নাই, যিমান খিনি এই অনুবাদৰ মাজত দিয়া হৈছে। কৈছে যে যোৱা তেৰশ বছৰৰ ভিতৰত ডাঙৰ ডাঙৰ আলিম, ফাজেল বিদ্যান লোক অতীত হৈ গৈছে, কিন্তু যি কাম আল্লাহ তা'লা মোক সম্পাদন কৰিবলৈ তৌফিক দান কৰিছে, তেওঁলোকৰ মাজত কোনেও এনেকুৱা সামৰ্থ্য লাভ কৰিব পৰা নাই। দৰাচলতে এই কাম হ'ল খোদা তা'লাৰ কাম, সি যাকে বিচাৰে তাকে দি কৰোৱাই লয়।

আকৌ এঠাইত তেখেত (ৰাঃ)য়ে কৈছে আল্লাহ তা'লাৰ কৃপাত কোৰ-আন চৰিফৰ সমস্ত অনুবাদ সম্পূৰ্ণ হৈ উঠিছে। অৰ্থাৎ আলহামদুলিল্লাহৰ পৰা ওয়ান্নাছ লৈকে তফছিৰে চগিৰৰ সৈতে তফছিৰে কবিৰৰ তুলনা কৰিলে গম পোৱা যায় যে কিছুমান বিষয় মুটামুটি ভাৱে তফছিৰে চগিৰত এনেদৰে আহিছে যে সেয়া তফছিৰে কবিৰত পাবলৈ নাই।

এনেদৰে তফছিৰুল কোৰ-আন ইংৰাজীলৈ অনুবাদ কৰাৰ কাম সম্পূৰ্ণ কৰা হৈছে। যাক ফাইল ওয়ালিম কমেন্ট্ৰি বুলি কোৱা হয়। এই তফছিৰৰ প্ৰাৰম্ভনীত হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ কলমেৰে লিখা এটা পাতনি অধ্যায় চামিল কৰি লোৱা হৈছে য'ত বেলেগ আচমানী কিতাপ বিদ্যমান থকা অৱস্থাতেই কোৰ-আন মজিদৰ প্ৰয়োজন আৰু আঁহজৰত (ছাঃ)ৰ পৱিত্ৰ জীৱনী আৰু জমাউল কোৰ-আন আৰু কোৰ-আনি শিক্ষা সম্পৰ্কে এটা আচুতীয়া চিন্তাকৰ্ষক বৰ্ণনা আগবঢ়াইছে। হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই পাতনি ৰচনাত শেষ ভাগত এয়াও লিখিছে যে মই এয়াও ক'ব বিচাৰো যে মই হজৰত খলিফা আউৱাল (ৰাঃ)ৰ ছাত্ৰ হোৱা হেতুকে মোৰ লিখনীত কেইবাটাও বিষয় এনেকুৱা আহিছে যিবোৰ মই তেখেত (ৰাঃ)ৰ পৰা শিকিছিলো। গতিকে এই তফছিৰত হজৰত মছীহ মাওউদ (আঃ)ৰ তফছিৰ, হজৰত খলিফা আউৱাল (ৰাঃ)ৰ তফছিৰ আৰু মোৰ ফালৰ পৰা তফছিৰ একেলগে আহিছে। যিহেতু খোদা তা'লাই হজৰত মছীহ মাওউদ (আঃ)ক নিজ ৰূহৰ জৰিয়তে এক জ্ঞান ভাণ্ডাৰ

দান কৰিছিল, যিবোৰ এই যুগলৈ প্ৰয়োজনীয় আছিল, সেয়ে মই ভাৱো যে এই তফছিৰে বহু বেমাৰ দুৰীকৰণৰ কাৰক হ'ব। বহুত অন্ধই ইয়াৰ জৰিয়তে দৃষ্টি ঘুৰাই পাব। বধিৰে শুনা পাবলৈ আৰম্ভ কৰিব, বেঙাই মাতিব পাৰিব, লেঙেৰা আপাহজে চলিব পৰা হ'ব আৰু আল্লাহ তা'লাৰ ফিৰিস্তাই ইয়াৰ বিষয় বস্তুৰ ওপৰত বৰকাত ঢালিব আৰু এয়াই সেই উদ্দেশ্য পূৰ্ণ কৰিব যি উদ্দেশ্য আগতকৈ ইয়াক ছপা কৰি উলিওৱা হৈ আছে। (আল্লাহুম্মা আমীন-

আল্লামা নিয়াজ ফতেহপুৰি চাহাবে তফছিৰে কবিৰ সম্পৰ্কে কৈছে যে ইয়াৰ ওপৰত কোনো সন্দেহ নাই তেখেতে কোৰ-আন পঢ়াৰ এটা নতুন চিন্তা ধাৰাৰ জন্ম দিছে আৰু এই তফছিৰ নিজৰ বিশেষত্বৰ ফালৰ পৰা সম্পূৰ্ণ এটা বেলেগ আৰু প্ৰথম তফছিৰ, য'ত প্ৰজ্ঞা আৰু প্ৰসন্নতাৰ এটা স্পষ্ট মিল দেখুৱাইছে।

মাওলানা আব্দুল মজিদ দৰিয়াবাদীয়ে হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ মৃত্যুৰ সময়ত লিখিছে যে কোৰ-আন আৰু কোৰ-আনি জ্ঞানৰ বিশ্বব্যাপি প্ৰচাৰ আৰু বিশ্বজুৰি ইছলাম প্ৰচাৰাৰ্থে যি চেষ্টা তেখেতে গোটেই জীৱন জুৰি কৰিছে, তাৰ বাবে আল্লাহ তেখেতক শান্তি প্ৰদান কৰক।

বাতৰি কাকত আম ৰোজ লাহোৰত তফছিৰে ছগিৰ সম্পৰ্কে লিখিছে যে বৰ্তমান তফছিৰে ছগিৰ আগশাৰীৰ তফছিৰ। এই তফছিৰ আহমদীয়া জামাতৰ নেতা আলহাজ মিৰ্জা বশিৰ উদ্দিন মেহমুদ আহমদ চাহাব মৰহুমৰ গভীৰ চিন্তাশক্তিৰ ফল হয়। কোৰ-আনৰ আৰবীৰ হুবহু উৰ্দু অনুবাদৰ সৈতে কেইবা ঠাইত ব্যাখ্যাৰ বাবে নোট (টোকা) লিখি দিয়া হৈছে। অনুবাদ আৰু সেই টোকাৰ ভাষা অতি সহজ সৰল আৰু গাম্ভিৰ্য্যপূৰ্ণ।

কিজেল পত্ৰিকাত ১৯৬৬ চনত লিখিছে যে তফছিৰে ছগিৰৰ অনুবাদ আৰু টোকাৰ ভাষা সৰল সহজ। ইয়াৰ ধাৰাবাহিকতা শেষলৈকে টানি লোৱা হৈছে। কোৰ-আন মজিদক ইমান ধুনীয়াকৈ ছপা কৰাটো ইছলামৰ এটা ডাঙৰ খিদমত কৰা হৈছে।

আকৌ ইংৰাজী তফছিৰে কোৰ-আনৰ দ্বীনি আৰু অনুসাৰী পণ্ডিত সকলে ইউৰোপৰ শীৰ্ষতম বিদ্যান সকলক প্ৰভাৱিত কৰিছে। তেওঁলোকে ইয়াৰ সুন্দৰ ৰিভিউ কৰিছে। যেনে বিখ্যাত স্কলাৰ আই.এ আৰবৰিয়ে কৈছে যে এই তফছিৰৰ আৰম্ভনীতে বিতং ব্যাখ্যাৰে পাতনি আছে যি হজৰত বশিৰ উদ্দিন মেহমুদ আহমদ চাহাবে লিখিছে। আমি যদি এই কামক ইছলামৰ জ্ঞান সন্ধানী মহান পৰ্য্যালোচনাৰ স্মৃতি বুলি কওঁ তেন্তে সেয়া বঢ়াই কোৱা নহ'ব। এয়া সাজু কৰি উঠোৱাৰ প্ৰত্যেকটো ক্ষেত্ৰতে স্বীকৃতি প্ৰাপ্ত কিতাপ, তফছিৰে লুঘাত আৰু অনুসন্ধান আদিৰ পৰা লাভ আহৰণ কৰা হৈছে। এই অনুবাদ ইংৰাজী ভুল ভ্ৰান্তিৰ বাহিৰত আৰু উচ্চ মান সম্পন্ন। অমুছলমান সকলৰ অভিযোগ বাতিলকৰণ ইয়াতে লিপিবদ্ধ আছে।

হজৰত  মুচলেহ মাওউদ (ৰাঃ)ৰ জ্ঞান ভাণ্ডাৰ ভাষণ আকাৰে তেখেত (ৰাঃ)য়ে আমাৰ সন্মুখত ৰাখি থৈ গৈছে। এয়া বাহিৰা লোক সকলে কেনে দৃষ্টিৰে চায় তাৰ দৃষ্টান্ত তেখেত (ৰাঃ)ৰ এটা ভাষণ। নিজামে নওৰ মাজেৰে ফুটি উঠিছে। এই সম্পৰ্কে মিচৰৰ এজন স্কলাৰ আববাছ মেহমুদে কৈছে যে যদি এই আহ্বান ইউৰোপ আৰু আমেৰিকাৰ ইংলিচ শ্ৰেণীৰ মাজত পৌচায় দিয়া যায় আৰু যদি হিন্দুস্থান লগতে এছিয়াৰ পূৰ্বদিশ সামৰিলৈ প্ৰচাৰ কৰা হয় তেন্তে নিশ্চয় ইয়াৰ প্ৰভাৱ প্ৰকাশিত হ'ব।

ইয়াৰ পিছত ইছলামত মতানৈক্যৰ আৰম্ভণী এই সম্পৰ্কে তেখেত (ৰাঃ)ৰ এটা ভাষণ আছে। এয়া এনেকুৱা পাণ্ডিত্যপূৰ্ণ আৰু ইছলামী ইতিহাস সম্পৰ্কে ভাষণ আছিল যে ডাঙৰ ডাঙৰ ইতিহাসবিদ সকলেও হুজুৰ (ৰাঃ)ৰ তুলনাত এজন কনিষ্ঠ ছাত্ৰ বুলি নিজকে ভাৱিবলৈ বাধ্য হৈছিল। ছৈয়দ আব্দুল কাদিৰ চাহাবে (প্ৰোফেছাৰ ইছলামীয়া কলেজ লাহোৰ) কৈছে যে মোৰ ধাৰণা হয় ! এনেকুৱা জ্ঞানগৰ্ব মূলক বৰ্ণনা ইছলামী ইতিহাসৰ সৈতে

জড়িত থকা লোক সকলে আগত কেতিয়াও শুনিবলৈ পোৱা নাই।

হজৰত মুচলেহ মাওউদ (ৰাঃ)ৰ আন এটা ভাষণ ইকতিছাদি নিজাম সম্পৰ্ক বৰ্ণিত আছে। এই ভাষণত তেখেত (ৰাঃ)ৰ আঢ়ৈ ঘণ্টা সময় লাগিছিল। উচ্চ শিক্ষিত হাজাৰও লোকে এই ভাষণ শুনিছিল। লালা ৰাম চন্দ মচান্দ (এডভোকেট লাহোৰ হাইকোৰ্ট) কৈছে যে মই এই ভাষণৰ পৰা বৰকৈ লাভান্বিত হৈছো। আগতে মই ধাৰণা কৰিছিলো আৰু এয়া মোৰ এটা ভুল আছিল যে ইছলামে নিজৰ বিধানৰ মাজত কেৱল মুছলমান সকলকেই সামৰি লয়। কিন্তু আজি হজৰত ইমাম জামাত আহমদীয়াৰ ভাষণৰ পৰা জানিব পাৰিলো যে ইছলামে মানৱ জাতিৰ মাজত সম অধিকাৰৰ শিক্ষা দিয়ে।

১৯২৪ চনত যেতিয়া হুজুৰ (ৰাঃ)য়ে ইউৰোপলৈ গৈছিল বাটতে আৰৱৰ দেশত অৱস্থান কৰিছিল। এই সম্পৰ্কে কাকত ফতেহুল আৰব দামাস্কাচে ১০ আগষ্ট ১৯২৪ চনৰ ছপাত ছপোৱাইছিল যে খলিফা চাহাবৰ বয়স চল্লিছ বছৰমান হৈছে। মুখমণ্ডলত দীঘল ক'লা দাড়ি ৰাখিছে, গাৰ ৰং গম বৰণীয় আৰু পৰাক্ৰম আৰু দক্ষতাৰ ছাপ মূখমণ্ডলত অজয় হৈ আছে। নয়ন যুগলৈ অসাধাৰণ জ্ঞান আৰু প্ৰজ্ঞাৰ ইংগিত বহন কৰি আছে। আপুনি তেখেতৰ শাৰীৰিক অৱয়ব আৰু মূৰত বৰফৰ দৰে দপদপে পাগুৰি পিন্ধা অৱস্থাত মগজুৰ দক্ষতা দেখিলে, আপোনাৰও বিশ্বাস উপজিব যে আপুনি এনেকুৱা এজন ব্যক্তিৰ সন্মুখত থিয় হৈছে যে আপুনি তাক বুজি পোৱাৰ আগতেই তেওঁ আপোনাক খুব ভালদৰে চিনি পাইছে। তেখেত (ৰাঃ)ৰ মূখমণ্ডলত হাঁহিৰ ৰেঙুনি দেখিবলৈ পোৱা যায়, সেয়া কেতিয়াবা কেতিয়াবা প্ৰস্ফুটিত হয় আকৌ লুপ্ত হৈ যায়। যদি আপুনি এই হাঁহিৰ অন্তৰালত থকা অৰ্থ আৰু যি শক্তি আছে সেয়া দেখিবলৈ পায় তেন্তে আপুনি বিস্ময়ত বিভোৰ হ'ব।

এনেকুৱা দৃষ্টান্ত আৰু বহুতো আছে। লিখনি বিলাক একগোট কৰা হৈছিল। কিন্তু সময়ৰ নাটনিত সেইবোৰৰ সাৰাংশ উলিয়াই লোৱা হৈছে। যিবোৰ কথা ভৱিষ্যদ্বাণীত আল্লাহ তা'লা হজৰত মছীহ মাওউদ (আঃ)ক জনাইছিল সেই সকলোবোৰ কথা হজৰত মিৰ্জা বশিৰ উদ্দিন মেহমুদ আহমদ চাহাব (ৰাঃ)ৰ ব্যক্তিত্বৰ মাজেৰে প্ৰস্ফুটিত হৈ পূৰ্ণতা লাভ কৰিছে। আল্লাহ তা'লা তেখেত (ৰাঃ)ক যিবোৰ পাণ্ডিত্য আৰু আধ্যাত্মিক জ্ঞান দান কৰিছিল ডাঙৰ ডাঙৰ আলিম সকলে তাৰ মোকাবিলা কৰিবলৈ সক্ষম হোৱা নাছিল। তেখেত (ৰাঃ)ৰ ৰচনাৰাজি আজি জামাতৰ বাবে এক অমূল্য সম্পদ। তেখেত (ৰাঃ)ৰ খোতবা ভাষণ আদি সকলো প্ৰায় ছপা হৈ উঠিছে আমি সেইবোৰ অধ্যয়ন কৰা উচিত। এতিয়াও তেখেতৰ ৰচনাৰাজিৰ অনুবাদৰ কাম চলি আছে। আল্লাহ তা'লা আমাক এই জ্ঞানৰ ভঁৰালৰ পৰা জ্ঞান আহৰণ কৰাৰ তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰہِ نَحْمَدُہٗ وَنَسْتَعِیْنُہٗ وَنَسْتَغْفِرُہٗ وَنُؤْمِنُ بِہٖ وَنَتَوَکَّلُ عَلَیْہِ وَنَعُوْذُ بِاللّٰہِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَیِّئَاتِ اَعْمَالِنَا مَن یَّھْدِہِ اللّٰہُ فَلاَ مُضِلَّ لَہٗ وَمَنْ یُّضْلِلْہُ فَلاَ ھَادِیَ لَہٗ وَنَشْھَدُ أَنْ لَآ اِلٰہَ اِلاَّ اللّٰہُ
وَنَشْھَدُ اَنَّ مُحَمَّدًا عَبْدُہٗ وَرَسُوْلُہٗ. عِبَادَ اللّٰہِ رحمکم اللّٰہ اِنَّ اللّٰہَ یَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِیْتَآءِ ذِی الْقُرْبٰی
وَیَنْھٰی عَنِ الْفَحْشَآءِ وَالْمُنْکَرِ وَالْبَغْیِ یَعِظُکُمْ لَعَلَّکُمْ تَذَکَّرُوْنَ اُذْکُرُوا اللّٰہَ یَذْکُرْکُمْ وَادْعُوْہُ یَسْتَجِبْ
لَکُمْ وَلَذِکْرُ اللّٰہِ اَکْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................................

..........................................................................................................................................

..........................................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**